**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 17-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

গোৱালপাৰা জিলাৰ কৃষ্ণাই থানাৰ অন্তৰ্গত বেতবাৰীত আৰক্ষী, বনৰক্ষী আৰু পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত লোকৰ মাজত লগা সংঘৰ্ষত আজি এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৪জন লোক আহত হয়। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে পাইকানৰ উচ্ছেদিত এলেকালৈ যোৱা এটা পথ বন বিভাগৰ লোকে আৰক্ষীৰ সহযোগত খান্দি দিয়াৰ সময়তে উচ্ছেদিত লোকসকলে বাধা দিয়াৰ লগতে শিলগুটি, লাঠি আদিৰে আক্ৰমণ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ আৰু আত্মৰক্ষাৰ বাবে আৰক্ষী আৰু বনৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত দুজন লোক আহত হয়। আহত ছাকুৱাৰ হুছেইন নামৰ যুৱকজনক গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত আন এজন যুৱকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ইপিনে, এই ঘটনাত উত্তেজিত হৈ পৰা ৰাইজৰ আক্ৰমণত ১৪জন আৰক্ষীৰ লোক আৰু ৯জন বনৰক্ষী আহত হয়। আহতসকলৰ কেইবাগৰাকীও গোৱালপাৰাৰ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ঘটনাৰ কিছু সময় পাছতে উত্তেজিত ৰাইজে আশুডুবি মধ্য ইংৰাজী বিদ্যালয়ত অগ্নিসংযোগ কৰে যদিও অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপন কৰে। ঘটনাত জড়িত পাঁচজন লোকক আটক কৰা হৈছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত এলেকাত সাধাৰণ লোকৰ প্ৰবেশ নিষিদ্ধ কৰা হৈছে। কোনো লোক এই এলেকাত প্ৰৱেশ কৰিলে গ্ৰেপ্তাৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলি জিলাখনৰ আয়ুক্তই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে বিটিআৰৰ বাচবাৰীত ২৫৬ কোটি টকাৰ ৰেগন  পি অ' এইছ মেৰামতিৰ কাৰখানা স্থানৰ প্ৰাস্তাৱত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই প্ৰকল্পই অসমক ৰেগন মেৰামতিৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত অগ্ৰণি ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে এই মেৰামতি কাৰখানাৰ জৰিয়তে এডভাণ্টেজ আছাম  শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ সময়ত দিয়া আন এটা প্ৰতিশ্ৰুতি পূৰণ হ'ল বুলি মন্তব্য কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অসম খনিজ উন্নয়ন নিগম লিমিটেডৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ চূণ শিল পোৱা স্থানসমূহৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে

পৰ্যালোচনা কৰা হয় আৰু অৰ্থনৈতিক তথা পৰিৱেশ মূলক অগ্ৰাধিকাৰৰ অনুযায় খনিজ সম্পদৰ আহৰণ, মূল্য সংযোজন আৰু সঠিক ব্যৱহাৰৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়।

00000

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী গোট আলফা স্বাধীনে স্থাপন কৰা আই ই ডি উদ্ধাৰৰ ঘটনা সংক্ৰান্তত ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই য়ে আৰু দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা যুৱক দুজন ভাৰ্গৱ গগৈ আৰু চুমু গগৈ বুলি চিনাক্ত কৰা হৈছে। ইয়াকে লৈ এই ঘটনা সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা তিনিলৈ বৃদ্ধি পাইছে। তদন্ত সংস্থাটোৱে কৈছে যে, গুৱাহাটীৰ দিছপুৰৰ লাষ্টগেটৰ সমীপত এই আই ই ডিটো উদ্ধাৰ হৈছিল আৰু যোৱা বছৰ স্বাধীনতা দিৱসৰ সময়ত অসমত একাধিক বিস্ফোৰন সংঘটিত কৰাৰ ষড়যন্ত্ৰ হিচাপে এই বোমাটো স্থাপন কৰা হৈছিল। এন আই এ প্ৰকাশ কৰা মতে ধৃত ব্যক্তি দুজন আলফা স্বাধীনৰ সন্ত্ৰাস বিয়পোৱা আৰু সাৰ্বভৌমত্ব, নিৰাপত্তা আৰু অখণ্ডতালৈ ভাবুকি কঢ়িয়াই অনাৰ ষড়যন্ত্ৰৰ অংশ আছিল।

00000

অসম লোকসেৱা আয়োগে আজি ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে।  যোৱা ৮ জুনত এই পৰীক্ষা অনুষ্ঠিত হৈছিল। আয়োগে অহা অক্টোবৰত মূল পৰীক্ষা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শীঘ্ৰে মূল পৰীক্ষাৰ তাৰিখ প্ৰকাশ কৰা হ'ব বুলি আয়োগে জানিবলৈ দিয়ে।

00000

ভাৰত আৰু থাইলেণ্ডৰ মাজত বাণিজ্য আৰু পৰ্যটন খণ্ডৰ সম্ভাব্য সম্পৰ্ক আৰু এই ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ সম্ভাৱনা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে থাইলেণ্ডৰ দক্ষিণ এছিয়ান, মধ্য প্ৰাচ্য আৰু আফ্ৰিকান পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰণ মুংটিনৰ নেতৃত্বত দেশখনৰ দূতাবাসৰ এটা ১৪ জনীয়া প্ৰতিনিধি দল আজি ডিব্ৰুগড়ত উপস্থিত হয়। দলটোৱে ডিব্ৰুগড় জিলা প্ৰশাসন, জিলা উদ্যোগ আৰু বাণিজ্য বিভাগ আৰু পৰ্যটন বিভাগৰ বিষয়ববীয়াৰ লগতে পূব অসম বাণিজ্য সংঘৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত থাইলেণ্ডৰ মন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ বিভিন্ন স্থান বিশেষকৈ ডিব্ৰুগড় জিলাত থাই সভ্যতা-সংস্কৃতিৰ বিপুল আভাস পোৱা যায়। দুয়োখন দেশৰ মাজত পৰ্যটন আৰু বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ অপাৰ সম্ভাৱনা আছে বুলিও তেওঁ মন্তব্য কৰে।

00000

অসমৰ কৃষ্টি হালৈয়ে গুৱাহাটীত চলি থকা অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ ছিংগলছৰ ১২ আৰু ১৪ বছৰ অনুৰ্ধ উভয় শাখাৰে ফাইনেলত প্ৰৱেশ কৰিছে। কৃষ্টিয়ে আজি ১৪ বছৰ অনুৰ্ধ শাখাৰ চেমিফাইনেলত অসমৰে সংস্কৃতি বৰাক ৬-১, ৬-৪ ছেটত পৰাস্ত কৰে। কৃষ্টি ফাইনেলত ওড়িশাৰ স্বৰ্ণছানা দাসৰ সন্মুখীন হ'ব। একেদৰে ১২ বছৰ অনুৰ্ধ শাখাৰ চেমিফাইনেলত কৃষ্টিয়ে পশ্চিমবংগৰ ইভানা আৰোৰাক ৬-১, ৬-২ ছেটত পৰাভূত কৰে। এই শাখাৰ ফাইনেলত কৃষ্টি শীৰ্ষ বাচনিপ্ৰাপ্ত উত্তৰাখণ্ডৰ মীৰ এছ চৌধুৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে অসমৰ নিব্ৰাজ হুছেইনে ল'ৰাৰ ১৪ বছৰ অনুৰ্ধৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰি পদক জয়ৰ আশা সজীৱ কৰি ৰাখিছে। নিব্ৰাজে আজি ছেমিফাইনেলত অসমৰে চন্দ্ৰ মহান্তি ৬-২, ৬-১ ছেটত পৰাভূত কৰে।

00000

সমাপ্ত